# প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা

**দাবী প্ৰক্ৰিয়া**

এই যোজনা সংশ্লিষ্ট ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ ফচল বীমাৰ ওপৰত ৰাজ্যিক স্তৰীয় সমন্বয় সমিতিৰ গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি নিৰ্বাচিত নিৰ্দিষ্ট পৰিসীমাত "ক্ষেত্ৰ দৃষ্টিকোণ" নীতিৰ ওপৰত পৰিচালিত হয়, যাক বীমা গোট (আইইউ), আধাৰ ফচল আৰু নিৰ্দিষ্ট পৰিসীমা ক্ষেত্ৰ বুলি কোৱা হয়। এই গোটসমূহক গাঁও/গাঁও পঞ্চায়ত অথবা প্ৰধান শস্যৰ সমপৰ্যায়ৰ অন্য যিকোনো গোটৰ বাবে প্ৰযোজ্য বীমা গোট হিচাপে অধিসূচিত কৰা হয়। অন্য সকলো ফচলৰ বাবে ইয়াক গাঁও/গাঁও পঞ্চায়াত স্তৰৰ ওপৰৰ আকাৰৰ গোট হ'ব পাৰে।

**নিম্নলিখিত চৰ্তসাপেক্ষে মুখ্য দাবীৰ পৰিশোধ ক্ষেত্ৰ দৃষ্টিকোণৰ আধাৰত কৰা হ'ব:**

- ৰাজ্যই অধিসূচীত বীমা গোট ক্ষেত্ৰ স্তৰত আৱশ্যকীয় গ্ৰুপ কাটিং এক্সপেৰিমেন্ট (চিচিই) সম্পাদন কৰিব লাগে

- সংশ্লিষ্ট অধিসূচীত বীমা গোট ক্ষেত্ৰৰ ভিত্তিত পৰিশোধযোগ্য দাবী মূল্যায়ন কৰিবলৈ চিচিই ভিত্তিক উত্পাদিত শস্যৰ ডাটা নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত বীমা কোম্পানীত দাখিল কৰিব লাগিব।

ফচল আৰু ফচল ক্ষতিৰ নিম্নলিখিত পৰ্যায়সমূহো এই আঁচনিৰ অন্তৰ্গত সামৰি লয়।

**(ক) শস্য ছটিওৱা/ৰোপণত বাধাৰ আশংকা:** প্ৰতিকূল বতৰৰ বাবে যেনে কম বৰষুণ বা বিৰূপ বতৰৰ বাবে কোনো এক অধিসূচীত এলেকাত গৰিষ্ঠ সংখ্যক বীমাকৃত শস্য ছটিওৱা/ৰোপণত বিৰূপ বাধা আহিলে বীমাকৃত ফচলৰ ক্ষতিপূৰণৰ দাবীৰ অৰ্হতা হ'ব বীমা ৰাশিৰ সৰ্বাধিক ২৫ শতাংশ।

I প্ৰাৰম্ভিক পৰ্যায়ত কোনো এটা অধিসূচীত গোটত ছটিওৱা শস্যৰ ৭৫ শতাংশৰ অধিক ক্ষেত্ৰৰ ফচল প্ৰভাৱিত কৰাৰ ফলত সম্পূৰ্ণ ফচলৰ ক্ষতি হোৱা অথবা কৃষকে শস্য ছটিয়াব অথবা ৰোপণ কৰিব পৰা অৱস্থাত নাথাকিলে (অথবা) কম বৰষুণ বা অধিক বৰষুণৰ ছটিওৱা বা ৰোপণ কৰা শস্যৰ গজালি নোলোৱাৰ ব্যাপক ঘটনাৰ আশংকা এই আঁচনিয়ে সামৰি লোৱাৰ বাবে প্ৰযোজ্য।

**II অৰ্হতাৰ মাপকাঠি**

কেৱল সেইসকল কৃষক যিয়ে শস্য ক্ষতিৰ পূৰ্বে প্ৰিমিয়াম পৰিশোধ কৰিছে/একাউন্টৰ পৰা প্ৰিমিয়াম ডেবিট কৰা হৈছে। ৰাজ্য চৰকাৰে ঋতু আৰম্ভণিত ১৫ দিনৰ ভিতৰত অধিসূচীত বীমা গোট আৰু ৰোপিত ফচলৰ ভিত্তিত প্ৰদান কৰিব। "শস্য ছটিওৱা/ৰোপণৰ বাধা"ৰ বাবে ক্ষতিপূৰণ তেতিয়াহে পৰিশোধ কৰা হ'ব যদি ওপৰোক্ত কোনো সৰ্বনাশী ঘটনাৰ কাৰণে অধিসূচীত ৰোপিত ফচল এলেকাৰ ৭৫ শতাংশৰ অধিক ফচল এলেকা শস্য ৰোপণ নকৰাকৈ ৰৈ যায়।

**III ক্ষতি মূল্যাংকন প্ৰক্ৰিয়া:**

() কভাৰ কেৱল প্ৰধান শস্যৰ বাবে উপলব্ধ হ'ব।

() পৰিশোধ মূল বীমা ৰাশিৰ ২৫ শতাংশ হ'ব আৰু ইয়াৰ পাছত পলিচীৰ অন্ত পেলোৱা হ'ব।

টোকা: আঁচনিৰ নিয়মাৱলীৰ অনুসৰি বীমা কোম্পানীয়ে ৰাজ্য চৰকাৰৰ অধিসূচনা/নিৰ্দেশনাৰ ৩০ দিনৰ ভিতৰত প্ৰিমিয়াম প্ৰাপ্তিৰ চৰ্তসাপেক্ষে দাবী ৰাশি বিতৰণ কৰিব।

(খ) **পথাৰৰ শস্য (ৰোপণৰ পৰা চপোৱালৈ):** অপ্ৰতিৰোধ্য আশংকা যেনে, খৰাং, শুকান, বানপানী, পানীৰ তলত থকা, কীট আৰু ৰোগ, ভূমিস্খলন, প্ৰাকৃতিক জুই, ব্ৰজপাত, ধুমুহা, বা-মাৰলি, প্ৰচণ্ড ধুমুহা, প্ৰবল বতাহ, হাৰিকেন আৰু প্ৰবল ধুমুহাৰ বাবে উত্পাদিত শস্যৰ ক্ষতিৰ ব্যাপক আশংকা বীমা প্ৰদান কৰা হয়।

I বানপানী, নিৰানপেৰা শুকান বতৰ, অতিপাত খৰাং ইত্যাদি য'ত উত্পাদিত শস্যৰ পৰিমাণ ৫০ শতাংশৰ কম, তেন্তে শস্যৰ বাবে মধ্য ঋতুৰ প্ৰতিকূলতাৰ দাবী পৰিশোধ দাবী প্ৰযোজ্য।

II যিসকল কৃষকে প্ৰিমিয়াম পৰিশোধ কৰিছে অথবা শস্য নষ্ট হোৱাৰ পূৰ্বে যিসকল কৃষকৰ একাউন্টৰ পৰা প্ৰিমিয়াম ডেবিট কৰা হৈছে তেওঁলোক এই যোজনাৰ বাবে অৰ্হতাপ্ৰাপ্ত।

টোকা: স্বাভাৱিক শস্য চপোৱা সময়ৰ ১৫ দিন পূৰ্বে যদি প্ৰতিকূলতাৰ উদ্ভৱ হয় তেন্তে এই ব্যৱস্থাৱলীৰ বলবৎ নহ'ব। প্ৰক্সি সূচকৰ ভিত্তিক ক্ষতিৰ অধিসূচনাৰ জৰিয়তে ৰাজ্য চৰকাৰৰ দ্বাৰা এই ব্যৱস্থাৱলী বলবৎ কৰে।

III **ক্ষতি মূল্যাংকন প্ৰক্ৰিয়া:**

চৰকাৰৰ সম্পন্ন কৰা যৌথ ক্ষতি মূল্যাংকন আৰু যদি প্ৰযোজ্য অন-একাউন্ট পৰিশোধ নিম্নলিখিত সূত্ৰ অনুযায়ী গণনা কৰা হ'ব।

(থ্ৰেছহ'ল্ড য়িল্ড) x বীমাকৃত ৰাশিx ২৫%

থ্ৰেছহ'ল্ড য়িল্ড

টোকা: চূড়ান্ত দাবীৰ বিপৰীতে চৰ্তসাপেক্ষে সম্ভাব্য দাবীৰ সৰ্বাধিক পৰিশোধসাধ্য পৰিমাণ ২৫ শতাংশ।

IV **ক্ষতি মূল্যাংকন আৰু ৰিপোৰ্ট দাখিলৰ সময়সীমা**

শস্য ক্ষতি হোৱাৰ ৭ দিনৰ ভিতৰত চৰকাৰৰ দ্বাৰা ক্ষতিৰ সৰ্বশেষ প্ৰদান কৰা হ'ব। শস্য ক্ষতিৰ ১৫ দিনৰ পিছত ক্ষতি মূল্যাংকনৰ সম্পূৰ্ণ কৰা হ'ব।

আঁচনিৰ নিয়মাৱলী অনুসৰি প্ৰিমিয়াম প্ৰাপ্তিৰ চৰ্ত সাপেক্ষে বীমা কোম্পানীৰ দ্বাৰা অন-একাউন্ট পৰিশোধ কৰা হ'ব।

(গ) **শস্য চপোৱাৰ পাছত ক্ষতি:** শস্য চপোৱাৰ পিছত পথাৰত শুকাবলৈ চটিয়াই দিয়া শস্য ধুমুহা, ধুমুহা বৰষুণ আৰু অবতৰীয়া বৰষুণৰ দৰে নিৰ্দিষ্ট সৰ্বনাশী ঘটনাত নষ্ট হ'লে শস্য চপোৱাৰ সৰ্বাধিক দুই সপ্তাহ সময়হে ক্ষতিপূৰণ উপলব্ধ হ'ব।

I শস্য কটাৰ পিছত শস্য শুকাবলৈ পথাৰত ছটিয়াই দিয়াত ধুমুহা, ধুমুহা বৰষুণ আৰু অবতৰীয়া বৰষুণৰ দৰে নিৰ্দিষ্ট সৰ্বনাশী ঘটনাত নষ্ট ফলত সমগ্ৰ ভাৰতত শস্য নষ্ট হ'লে শস্য চপাই শুকোৱাৰ উদ্দেশ্যেত শস্য ছটিয়াই দিয়া তাৰিখৰ পৰা সৰ্বাধিক দুই সপ্তাহ (১৪ দিন) উপলব্ধ হ'ব।

II **অৰ্হতাৰ মাপকাঠি:** কেৱল সেইসকল কৃষক যিসকলে প্ৰিমিয়াম পৰিশোধ কৰিছে/শস্য নষ্ট হোৱাৰ পূৰ্বে যাৰ একাউন্টৰ পৰা প্ৰিমিয়াম ডেবিট কৰা হৈছে তেওঁলোক যোগ্য । নিৰ্দিষ্ট সৰ্বনাশী ঘটনাত শস্যৰ ক্ষতি-শস্য চপোৱাৰ পাছত ১৪দিন পৰ্যন্ত।

III **ক্ষতি মূল্যাংকন প্ৰক্ৰিয়া:**

আমাৰ কল চেন্টাৰ নম্বৰ **১৮০০২৬৬০৭০০** ত ক্ষয়-ক্ষতিৰ জনোৱাৰ পাছত কৃষকে ৭২ ঘণ্টাৰ ভিতৰত অৱগত কৰিব লাগিব আৰু সূচনাৰ জৰীপৰ সংখ্যা ভিত্তিক বীমাকৃত ফচল আৰু কৃষি প্ৰভাৱিত হোৱাৰ বিৱৰণ সন্নিৱিষ্ট থাকিব লাগিব। কৃষকে পৰৱৰ্তী সময়ত দাবী পৰিশোধৰ বাবে আৱশ্যকীয় সকলো প্ৰাসংগিক নথিপত্ৰ পূৰণ কৰা দাবী প্ৰ-পত্ৰও প্ৰদান কৰিব লাগিব।

ক্ষয়-ক্ষতিৰ নিৰ্ধাৰক নিযুক্ত কৰা হ'ব আৰু মূল্যাংকন নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব, যিটো আঁচনিৰ নিয়মাৱলীৰ অনুসৰি প্ৰিমিয়াম প্ৰাপ্তিৰ চৰ্ত সাপেক্ষে ক্ষয়-ক্ষতিৰ মূল্যাংকন ৰিপোৰ্টক চূড়ান্ত ৰূপ দিয়াৰ পাছত দাবী নিষ্পত্তি কৰা হ'ব।

(ঘ) **স্থানীয়কৃত দুৰ্যোগ:** শিলাবৃষ্টি, ভূমি-স্খলন আৰু অধিসূচীত এলেকাৰ কৃষিভূমি পানীৰ তলপৰি প্ৰভাৱিত হোৱা আদি পৰিচিত স্থানীয়কৃত শংকাজনক ঘটনাত হোৱা কৃষ-ক্ষতি।

I যদি কোনো স্থানীয়কৃত সৰ্বনাশী ঘটনা/দুৰ্যোগ যেনে ভূমিস্খলন, শিলাবৃষ্টি আৰু পানীত তল পৰা আদিৰ কাৰণে ফচলৰ ক্ষতি হয় যিয়ে এক অধিসূচিত গোট বা এক প্লটৰ অংশ প্ৰভাৱিত কৰে তেন্তে কৃষক স্থানীয় দুৰ্যোগৰ দাবী কৰিবলৈ অৰ্হতাসম্পন্ন হ'ব।

II **অৰ্হতাৰ মাপকাঠি:**

কৰেল সেইসকল কৃষকহে উপযুক্ত হ'ব যিয়ে প্ৰিমিয়াম পৰিশোধ কৰিছে/ক্ষতিৰ দাবীৰ পূৰ্বে তেওঁলোকৰ একাউণ্টৰ পৰা প্ৰিমিয়াম ডেবিট কৰা হৈছে।

টোকা: বীমাকৃত ৰাশিৰ চৰ্ত সাপেক্ষে বীমাকৃত সৰ্বনাশী ঘটনা সংঘটিত হোৱা পৰ্যন্ত বহন কৰা ব্যয় ইনপুটৰ সমানুপাতিক ভিত্তিক সৰ্বাধিক পৰিশোধ কৰা হ'ব।

যদি পৰিশোধযোগ্য ৰাশি দৃষ্টিভংগী এলেকাৰ অধীনত (চিচিই ডাটাৰ ভিত্তিত) স্থানীয়কৃত ক্ষতিৰ অধিক হয়, তেন্তে বীমাকৃত কৃষকৰ দুটা উচ্চ দাবীৰ সৰ্বোচ্চ দাবীটোহে পৰিশোধযোগ্য হ'ব যিটো আঁচনিৰ নিয়মাৱলী অনুসৰি প্ৰিমিয়াম প্ৰাপ্তিৰ চৰ্ত সাপেক্ষে হ'ব।

III **ক্ষতি মূল্যাংকন প্ৰক্ৰিয়া:**

আমাৰ কল চেণ্টাৰ নম্বৰ **১৮০০২৬৬০৭০০**ত ক্ষয়-ক্ষতিৰ জনোৱাৰ পাছত কৃষকে ৭২ ঘণ্টাৰ ভিতৰত অৱগত কৰিব লাগিব আৰু সূচনাত জৰীপৰ সংখ্যা ভিত্তিক বীমাকৃত ফচল আৰু কৃষি প্ৰভাৱিত হোৱাৰ বিৱৰণ সন্নিৱিষ্ট থাকিব লাগিব। কৃষকে পৰৱৰ্তী সময়ত দাবী প্ৰ-পত্ৰও প্ৰদান কৰিব লাগিব।

ক্ষয়-ক্ষতিৰ নিৰ্ধাৰক নিযুক্ত ক'ৰা হ'ব আৰু মূল্যাংকন নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব, যিটো আঁচনিৰ নিয়মাৱলীৰ অনুসৰি প্ৰিমিয়াম প্ৰাপ্তিৰ চৰ্ত সাপেক্ষে ক্ষয়-ক্ষতিৰ মূল্যাংকন ৰিপোৰ্টক চূড়ান্ত ৰূপ দিয়াৰ পাছত দাবী নিষ্পত্তি কৰা হ'ব।

**টোকা: যুদ্ধ আৰু পৰমাণু দুৰ্ঘটনা, দুৰ্ভাৱনাপূৰ্ণ ক্ষতি আৰু অন্য প্ৰতিকূল দুৰ্যোগৰ পৰা উদ্ভৱ হোৱা ক্ষতি এই আঁচনিৰ অন্তৰ্ভূক্ত নহয়।**

**দাবী প্ৰ-পত্ৰ ডাউনল'ড-প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা।**

**গুৰুত্বপূৰ্ণ টোকা:** ওপৰত উল্লেখিত ঘটনাসমূহৰ পৰা উদ্ভৱ হোৱা ক্ষয়-ক্ষতিৰ বাবে কৃষকসকলে আমাৰ কোম্পানীৰ সৈতে যোগাযোগ কৰা উচিত আৰু জৰীপ সংখ্যা ভিত্তিক বীমাকৃত ফচল আৰু কৃষি প্ৰভাৱিত হোৱাৰ ৪৮ ঘণ্টাৰ ভিতৰত অৱগত কৰা উচিত লগতে প্ৰিমিয়াম পৰিশোধৰ বিৱৰণ বেংক/মধ্যস্থ চিএছচি কেন্দ্ৰৰ সৈতে বিৱৰণ দিয়া উচিত।

ক্ষতিৰ হোৱাৰ লগে লগে ক্ষতিৰ গভীৰতা প্ৰতিপন্ন কৰিবলৈ স্থানীয় বাতৰি কাকতৰ কাটিং আৰু উপলব্ধ অন্য কোনো প্ৰমাণ তথ্য সাক্ষ্য যদি থাকে প্ৰযোজ্য অনুসৰি প্ৰদান কৰা উচিত।

১। কৃষকসকলে **১৮০০২৬৬০৭০০** ত আমাৰ কাষ চাপিব পাৰে আৰু ক্ষতি সংঘটিত হোৱাৰ লগে লগে তাৰ শহেতীয়া তথ্য আমাক জনাব পাৰে।

২। কৃষকসকলে জিলা কৃষি কাৰ্যালয়লৈ যাব পাৰে আৰু আমাৰ প্ৰতিনিধিক ডিএঅ' কাৰ্যালয়ত জনাব পাৰে।

৩। কৃষকসকলে এই বিষয়ত তেওঁলোকৰ সংশ্লিষ্ট বেংকলৈও যাব পাৰে।